# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১।	গোৱালপাৰা জিলাৰ পাইকানত উচ্ছেদিত লোক আৰু নিৰাপত্তা বাহিনীৰ মাজৰ সংঘৰ্ষত এজন লোক নিহত আৰু ২৪ জন লোক আহত।

২।	পাইকানৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া। অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটতো অবৈধ দখলকাৰীক উচ্ছেদ সন্দৰ্ভত ড্ৰোনেৰে জৰীপ আৰম্ভ।

৩।	গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ ২০২৪-২৫ বৰ্ষৰ স্বচ্ছতা জৰীপ বঁটা গ্ৰহণ।

৪।	মৰিগাঁও আৰু নগাঁৰৰ জিলা আৰু ছেছন আদালতৰ দুজনকৈ লোকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত।

*আৰু*

৫।	ৰাজ্যত শীঘ্ৰে ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া।

ooooo

গোৱালপাৰা জিলাৰ কৃষ্ণাই থানাৰ অন্তৰ্গত বেতবাৰীত আৰক্ষী, বনৰক্ষী আৰু পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত লোকৰ মাজত লগা সংঘৰ্ষত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২৪জন লোক আহত হয়। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে পাইকানৰ উচ্ছেদিত এলেকালৈ যোৱা এটা পথ বন বিভাগৰ লোকে আৰক্ষীৰ সহযোগত খান্দি দিয়াৰ সময়তে উচ্ছেদিত লোকসকলে বাধা দিয়াৰ লগতে শিলগুটি, লাঠি আদিৰে আক্ৰমণ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ আৰু আত্মৰক্ষাৰ বাবে আৰক্ষী আৰু বনৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত দুজন লোক আহত হয়। আহত ছাকুৱাৰ হুছেইন নামৰ যুৱকজনক গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তেওঁৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত আন এজন যুৱকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। ইপিনে, এই ঘটনাত উত্তেজিত হৈ পৰা ৰাইজৰ আক্ৰমণত ১৪জন আৰক্ষীৰ লোক আৰু ৯জন বনৰক্ষী আহত হয়। আহতসকলৰ কেইবাগৰাকীও গোৱালপাৰাৰ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ঘটনাৰ কিছু সময় পাছতে উত্তেজিত ৰাইজে আশুডুবি মধ্য ইংৰাজী বিদ্যালয়ত অগ্নিসংযোগ কৰে যদিও অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপন কৰে। এই ঘটনাত জড়িত পাঁচজন লোকক আটক কৰা হৈছে। ঘটনাস্থলীত জিলাখনৰ আয়ুক্ত প্ৰদীপ টিমুং, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত এলেকাত সাধাৰণ

লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। কোনো লোক এই এলেকাত প্ৰৱেশ কৰিলে গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ দিয়া হৈছে বুলি জিলাখনৰ আয়ুক্তই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

**বাইট (ডি চি)**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ পাইকানত সংঘটিত ঘটনা সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি আজাৰাত এটা অনুষ্ঠানৰ অৱসৰত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে উচ্ছেদৰ সময়ত কোনো লোকে আৰক্ষীক আক্ৰমণ কৰিলে তেওঁলোকৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লোৱা হ'ব। তেওঁ কয়, যে আৰক্ষীক আক্ৰমণ কৰা উচ্ছেদিতৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হ'ব।

**বাইট (চি এম)**

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি আজাৰাৰ কেওটপাৰাৰ মনসা দেৱী মন্দিৰত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণাৰ্থে দেৱীৰ চৰণত সেৱা আগবঢ়ায়। তেওঁ মন্দিৰ চৌহদ পৰিদৰ্শন কৰাৰ লগতে স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে।

০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বসবাস কৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। ইতিমধ্যে ড্ৰোণৰ সহায়ত সীমান্ত এলেকাত স্থানীয় প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগৰ এটা দলে জৰীপ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে উৰিয়ামঘাটৰ প্ৰায় ৩ হাজাৰৰো অধিক বনাঞ্চলৰ ভূমি দখলকাৰীৰ কবলত থকাৰ তথ্য পোৱা গৈছে। অসম-নাগালেণ্ড সীমান্তৰ সোণাৰী বিল, পিঠাঘাট, খেৰবাৰী, দয়ালপুৰ, বিদ্যাপুৰ আদি অঞ্চল অনুপ্ৰবেশকাৰীৰ দখলত আছে। যিকোনো মুহূৰ্ততে সীমান্ত এলেকাত উচ্ছেদ অভিযান চলিব পাৰে বুলি বিভাগীয় সূত্ৰত প্ৰকাশ পাইছে।

০০০০০

২০২৪-২৫ বৰ্ষৰ স্বচ্ছতা জৰীপ অনুসৰি উত্তৰ-পূব ভাৰতৰ আটাইতকৈ পৰিষ্কাৰ ৰাজধানী চহৰ হিচাপে পৰিগণিত গুৱাহাটী মহানগৰীক আজি আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰা হয়। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত স্বচ্ছতা জৰীপ ২০২৪-২৫ বঁটা প্ৰদান অনুষ্ঠানত অংশ লৈ এই বঁটা গ্ৰহণ কৰে। গুৱাহাটী মহানগৰীৰ লগতে উত্তৰ লখিমপুৰে উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত **প্ৰতিশ্ৰুতিসম্পন্ন স্বচ্ছ চহৰৰ** বঁটা লাভ কৰিছে। ৩ লাখৰ পৰা ১০ লাখ জনসংখ্যাৰ নগৰলৈ আগবঢ়োৱা এই সন্মানৰ তালিকাত গুৱাহাটী মহানগৰে দেশৰ ভিতৰত ৪৪ সংখ্যক স্থান লাভ কৰিছে। অনাময় ব্যৱস্থা আৰু আৱৰ্জনামুক্ত নগৰৰ ক্ষেত্ৰতো গুৱাহাটীয়ে প্ৰমাণপত্ৰ লাভ কৰে।

বঁটা গ্ৰহণৰ পাছত মেয়ৰ শ্ৰীশৰণীয়াই কয়, যে গুৱাহাটীবাসীৰ সুসংগঠিত পৰিশ্ৰম, প্ৰতিশ্ৰুতি আৰু সচেতনতাৰ এয়া প্ৰতিফলন। এই বঁটাই ভৱিষ্যতে এখন স্বচ্ছ, সেউজ গুৱাহাটী মহানগৰ গঢ়ি তোলাৰ অনুপ্ৰেৰণা যোগাই তুলিব তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়লৈ ধন্যবাদ

জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়েও গুৱাহাটীক স্বচ্ছ আৰু পৰিষ্কাৰ নগৰ হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ এয়া স্বীকৃতি বুলি সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্তব্য কৰিছে।

০০০০০

মৰিগাঁও জিলাৰ গড়মাৰী গাঁৱৰ মিথুন বাংথাই নামৰ এজন অভিযুক্তক আজি জিলা পকছ' আদালতে এগৰাকী নাবালিকা ধৰ্ষণৰ অভিযোগত ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। এই লোকজনৰ বিৰুদ্ধে মৰিগাঁও থানাত যোৱা বছৰ এটা গোচৰ ৰুজু কৰা হৈছিল। ঘটনাৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও পকছ' আদালতত প্ৰতিবেদন আৰু অভিযোগনামা দাখিল কৰিছিল। এই অভিযোগনামাৰ ভিত্তিত আদালতে বিচাৰ চলাই লোকজনক পকছ' আইনৰ ৬ নম্বৰ ধাৰাত দোষী সাব্যস্ত কৰি ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়াৰ লগতে ৩০ হাজাৰ টকাৰ জৰিমনা বিহে। জিলা অতিৰিক্ত ছেছন ন্যায়াধীশ তথা পকছ' আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদৰ আদালতে ধাৰ্য কৰা জৰিমনাৰ ধন আদায় নিদিলে  দোষীক অতিৰিক্ত ছমাহৰ কাৰাদণ্ড বিহা হ'ব বুলি ৰায় দিয়া হৈছে।

নগাঁও জিলা আৰু ছেছন ন্যায়াধীশনৰ আদালতে আজি ভূপেন বৰা নামৰ এজন লোকক হত্যাৰ গোচৰত যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। ২০১৫ চনৰ ২৪ নৱেম্বৰত নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত পোটনি খুন্দামৰা গাঁৱৰ ভূপেন বৰাৰ প্ৰহাৰত একেখন গাঁৱৰে পদ্মকান্ত শইকীয়া নামৰ এজন লোক আহত হৈছিল। পৰৱৰ্ত্তী সময়ত চিকিৎসাধীন অৱস্থাত লোকজনৰ মৃত্যু ঘটে। প্ৰায় ১০ বছৰ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত ভূপেন বৰাক আদালতে দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে।

০০০০০

ৰাজ্যত শীঘ্ৰেই প্ৰায় ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ লৈ দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবেও প্ৰায় ৫ হাজাৰ ৫০০ শিক্ষকৰ নথি পত্ৰ পৰীক্ষাৰ কাম চলি আছে। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই শিক্ষকসকলক নিযুক্তি দিয়া হ'ব বুলি ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ১৯৮২ চনৰ পৰাই খোৱাং অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰলৈ অৰিহনা আগবঢ়াই অহা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিমূলক আৰু শৈক্ষিক পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি শিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০

ঝাৰখণ্ডৰ বোকাৰো জিলাত সুৰক্ষা বাহিনী আৰু নক্সালবাদীৰ মাজত হোৱা সংঘৰ্ষত নিহত জোৱান প্ৰাণেশ্বৰ কোঁচৰ শেষকৃত্য আজি তেওঁৰ পৈতৃক গৃহ কোকৰাঝাৰৰ মাগুৰমাৰী ৰাভাপাৰাত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ইয়াৰ আগতে কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ গাড়ীৰে বীৰ ছহিদ জোৱানজনৰ শৰদেহ গুৱাহাটীৰ পৰা কোকৰাঝাৰলৈ নিয়া হয়। চি আৰ পি এফৰ উত্তৰ-পূব খণ্ডৰ শ্বিলংস্থিত মহাপৰিদৰ্শক অংশুমান যাদৱ, কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰী আৰু শীৰ্ষ পদস্থ আৰক্ষী আৰু অসামৰিক বিষয়াসকলে ছহিদ প্ৰাণেশ্বৰ কোঁচৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰে। জোৱানগৰাকীৰ প্ৰতি অন্তিম সন্মান স্বৰূপে চি আৰ পি এফে তিনি জাঁই টোপ ধবনি কৰে। শেষকৃত্য অনুষ্ঠানত অঞ্চলটোৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অসম চৰকাৰে মৃত জোৱানগৰাকীৰ পৰিয়াললৈ ৫০ লাখ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ইতিমধ্যে ঘোষণা কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে নিহত জোৱানগৰাকীৰ পৰিয়ালৰ যিকোনো এজন সদস্যক তৃতীয় নাইবা চতুৰ্থ বৰ্গৰ পদত নিযুক্তি দিয়া হ'ব বুলিও ঘোষণা কৰিছে।

০০০০০

বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসন সম্পূৰ্ণ ৰূপে সাজু হৈছে। বান পৰিস্থিতিক লৈ আজি হাটশিঙিমাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত ৰাহুল গুপ্তাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা পৰ্যালোচনা সভাত এ এছ্ এছ্ টি চিৰ অধ্যক্ষ প্ৰবীণ কুমাৰ দত্তৰ লগতে জিলা আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ একাংশ বিষয়া উপস্থিত থাকে। পৰ্যালোচনা সভাৰ অন্তত বিষয়াৰ দলটোৱে নাৱেৰে জিলাখনৰ খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে। এই সন্দৰ্ভত অসম জৰীপ আৰু বন্দোৱস্তী প্ৰশিক্ষণ বিষয়া প্ৰদীপ কুমাৰ দত্তই এইদৰে কয়—

**বাইট (প্ৰদীপ কুমাৰ দত্ত)**

০০০০০

ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ উদ্যোগত আজি গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত যোগদান কাৰ্যসূচীত বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীয়ে দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। অনুষ্ঠানত প্ৰাক্তন আলফা নেতা মনোজ ৰাভা ওৰফে দৃষ্টি ৰাজখোৱা, আম আদমী পাৰ্টী, অসমৰ প্ৰাক্তন সভাপতি তথা ২০২১ৰ লাহোৱাল সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মনোজ ধানোৱাৰ, অসম গোৰ্খা সন্মিলনৰ সভাপতি অৰ্জুন চেত্ৰী, অসম গণ পৰিষদৰ প্ৰাক্তন কেন্দ্ৰীয় সম্পাদক আৰু মুখপাত্ৰ অমল পাটোৱাৰী, অসমীয়া চলচ্চিত্ৰৰ অভিনেতা ত্ৰিদিপ তালুকদাৰ, শোণিতপুৰ জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি মাধুৰ্য গোস্বামী, ৰাইজৰ দলৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা আটছুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি নিৰ্মল পায়েং, কংগ্ৰেছৰ কাৰ্যকৰ্তা প্ৰশান্ত শইকীয়া, জ্যেষ্ঠ অধিবক্তা অসীম চমুৱা আৰু মানস শইকীয়াই বিজেপিত যোগদান কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী আৰু ৰাজ্যিক সাংগাঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুৱে এই অনুষ্ঠানত অংশ লৈ নতুন সদস্যসকলক দললৈ আদৰণি জনায়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৯ জুলাই শনিবাৰে আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ইংৰাজী আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় লেখক আৰুণি কাশ্যপৰ সৈতে এটা কথোপকথন প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰিত হ'বলগীয়া এই কথোপকথনত লেখকগৰাকীৰ সৈতে অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

মিছিং জনগোষ্ঠীৰ অন্যতম সংগঠন মিছিং বানে কেবাঙৰ ১০১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ধেমাজিৰ চিলাপথাৰত কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হয়। স্বচ্ছতা অভিযান, গছপুলি ৰোপণৰ লগতে ১০১ খন পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। বিধায়ক ভূবন পেগু, মিছিং স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়া আৰু দল-সংগঠনৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশ লয়। উল্লেখযোগ্য যে মিছিং

জনগোষ্ঠীৰ সভ্যতা, সংস্কৃতি, ভাষা সাহিত্য, আৰ্থসামাজিক সমস্যা সমাধান তথা সংৰক্ষণ আৰু উত্তৰণৰ বাবে ১৯২৪ চনত মিছিং বানে কেবাঙৰ গঠন হৈছিল।

ooooo

কৃষিমন্ত্ৰী অতুল বৰাই ধেমাজিত আজি দলীয় কৰ্মকৰ্তা সকলৰ সৈতে এখন সাংগঠনিক সভাত অংশ লয়। তেওঁ তৃণমূল কৰ্মীসকলক দলটোৰ প্ৰধান চালিকা শক্তি বুলি অভিহিত কৰে। তৃণমূলৰ কৰ্মকৰ্তা সকলৰ সক্ৰিয় ভূমিকা আৰু উৎসৰ্গিত মনোভাৱে সকলোকে সবলভাৱে কাম কৰি যাবলৈ প্ৰেৰণা যোগাই আহিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সমাগত বিভিন্ন পৰিষদীয় নিৰ্বাচন আৰু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে কৰ্মকৰ্তা সকলক অধিক সক্ৰিয় হ'বলৈ তেওঁ আহ্বান জনায়। লগতে তেওঁ দলটোক শক্তিশালী কৰাৰ স্বাৰ্থত সভাত কৰ্মকৰ্তা সকলক দিহা-পৰামৰ্শ আগবঢ়ায়।

ooooo

মৰিগাঁও জিলা পৰিষদৰ উদ্যোগত আৰু জাগীৰোড গাঁও পঞ্চায়তৰ সহযোগত জাগীৰোডৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে আজি ১০০ জোপা গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই বকুল আৰু কৃষ্ণচূড়াৰ পুলি ৰোপণ কৰি এই কাৰ্যসূচীৰ উদ্বোধন কৰে। তেওঁ লগতে পৰিৱেশ স্বচ্ছ কৰি ৰখাৰ বাবে আৱৰ্জনা পেলাবলৈ তিনিখন বাহন মুকলি কৰে। জাগীৰোড পঞ্চায়তৰ উপৰি দেওশাল আৰু পালিগুৰি গাঁও পঞ্চায়তলৈ এই বাহনসমূহ প্ৰেৰণ কৰা হয়। অনুষ্ঠানত তেওঁ জনসাধাৰণক জাগীৰোড নগৰখনক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ আহ্বান জনায়।

ooooo

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু পশ্চিম কাৰ্বি আংলং জিলা ক্ৰিকেট সন্থাৰ সহযোগত বৈঠালাংছ'ত কালিৰে পৰা ১০-দিনীয়াকৈ ক্ৰিকেট প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। প্ৰাক্তন ৰঞ্জী মাৰ্ক ইংতি আৰু মুম্বাইৰ পৰা অহা প্ৰশিক্ষক মিণ্টাৰ ববে এই শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰিব বুলি জিলা ক্ৰীড়া সন্থাৰ সচিব সঞ্জীৱ ক্ৰ'ৱে জনাইছে। ১৬ আৰু ১৯ বছৰ অনুৰ্দ্ধৰ যুৱক আৰু সকলো বয়সৰ মহিলাই এই শিবিৰত প্ৰশিক্ষণ ল'ব পাৰিব বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনাইছে।

ooooo

সমাপ্ত